জীৱনৰ অলেখ ঘাত-প্ৰতিঘাতৰ অগ্নি-পৰীক্ষাত উত্তীৰ্ণ হৈ চিৰ অম্লান প্ৰতিভাৰ জিলমিলনিৰে অৰ্থনৈতিক জগতত যুগান্তৰ আনোতা কাৰ্ল মাৰ্ক্স আছিল চলি থকা সমাজ-ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তনৰ মতবাদ প্ৰচাৰ কৰা অগ্নিময় বিপ্লৱী। তেওঁ মানৱ-জাতিক দুই ভাগত বিভক্ত কৰিছিল। তাৰে এটা শ্ৰেণী হ'ল ব্যৱসায় চলোৱা মহাজন আৰু চহকীবিলাক আৰু ইটো ভাগ হ'ল সেই মহাজন বিলাকে কামত খটুৱাই থকা বনুৱাবিলাক। মহাজন-সকলে ধনৰ জোৰত বনুৱাবিলাকক খটুৱাই তেওঁলোকৰ নিজৰ জীৱনৰ বাট সেন্দুৰীয়া কৰি লয়; আৰু ইফালে বনুৱাবিলাকে তেওঁলোকৰ পৰিশ্ৰমৰ বিনিময়ত পোৱা দৰমহাৰে জীৱনৰ অভাৱ-অভিযোগ কোনোদিনেই আঁতৰাব নোৱাৰে। এজন বনুৱাই মহাজনৰ তলত দিনটো যিমান সময় কাম কৰে তাৰ বাবে পোৱা বানচখিনিতেই বনুৱাজনে নিজৰ আৱশ্যকীয় বস্তুৰ মূল্য পাব পাৰে। বনুৱাজনে যদি নিৰ্দ্ধাৰিত সময়তকৈ আগতেই তাৰ কৰিবলগীয়া কামটো শেষ কৰি বাকীখিনি সময় খাটে তেন্তে সেই অতিৰিক্ত খাটনিৰপৰা উৎপন্ন হোৱা বস্তুৰ মূল্য মহাজনহে হাত কৰে। কাৰ্ল মাৰ্ক্সে ইয়াকেই 'অতিৰিক্ত মূল্য' বুলিছে; আৰু এই অতিৰিক্ত মূল্যৰপৰা বনুৱা সম্প্ৰদায় চিৰ-কাল বঞ্চিত হৈ আহিছে। বঞ্চনাকাৰী আৰু বঞ্চিতৰ ভিতৰত হোৱা এই অৰ্থনৈতিক বৈষম্যই হ'ল সমাজৰ মাজত জাগি উঠা যতবোৰ সংঘৰ্ষৰ গুৰি। দুই শ্ৰেণীৰ মাজত চলি থকা এই বৈষম্য আঁতৰোৱাৰ একমাত্ৰ উপায় হৈছে বিপ্লৱ। ধনী সম্প্ৰদায়ৰ সহায় ৰাষ্ট্ৰীয় শক্তি। গতিকে ধনীৰ লগত যুঁজি সফলকাম হব খুজিলে সমত্ববাদীসকলে ৰাষ্ট্ৰৰ সৈন্য বাহিনীও হ্ৰাস কৰিব লাগিব বুলি তেওঁ জোৰ দিছিল। সৈন্য-বাহিনীত থকা বনুৱাবিলাকে চলে-বলে-কলে-কৌশলে সৈন্যদলৰ ক্ষমতা হাত কৰিব লাগিব। বনুৱাবিলাকে বিপ্লৱৰ কৰাণে যি কোনো উপায়েৰে অস্ত্ৰ-শস্ত্ৰ হাত কৰি লোৱাটোও তেওঁ সমৰ্থন কৰি-ছিল। মুঠতে দাৰ্শনিক হিগেলৰ আদৰ্শবাদী মতটো তেওঁ অৰ্থনৈতিক জগতলৈ সম্পূৰ্ণভাৱে ৰূপান্তৰিত কৰিছিল।

ওপৰত উনুকিওৱা এই কথাবোৰে ধনী সম্প্ৰদায়ৰদ্বাৰা

আজীৱন প্ৰপীড়িত জগতৰ বনুৱা শ্ৰেণীৰ হৃদয় ৰাককৈয়ে স্পৰ্শ কৰিছিল। ৰুছ বিপ্লৱ তাৰেই এটি সুন্দৰ নিদৰ্শন। সমতাৰ মাজেদি নতুন সমাজ গঠনেই হ'ল কাৰ্ল মাৰ্ক্সৰ শিকলিৰ মূলমন্ত্ৰ। নিপীড়িত বিৰাট জনগণৰ মঙ্গলৰ হকে তেওঁৰ জাগি উঠা মনখিনি আছিল খাটি সোণৰ দৰেই উজ্জ্বল। সেই কাৰণেই কোনোবাই তেওঁৰ মতৰ বিৰুদ্ধাচৰণ কৰিলে তেওঁ হেজাৰ বুকুৰ কুটুম হলেও কাৰ্ল মাৰ্ক্সে তেওঁকো কুশলে নেৰিছিল।

# লেনিন

পৃথিৱীৰ স্থলভাগৰ চাৰি অংশৰ এক অংশই হল ৰিবাট ৰুছিয়া দেশৰ আয়তন। ৰুছিয়াৰ সম্ৰাটক বোলা হৈছিল 'জাৰ'। এই জাৰসকলৰ মইমতীয়া শাসন ৰুছিয়াত প্ৰায় ৪৭০ বছৰ জুৰি অবাধে চলিছিল। তেওঁলোক আছিল স্বেচ্ছাচাৰিতাৰ জীৱন্ত প্ৰতিমূৰ্ত্তি। আমি যি সময়ৰ কথা কবলৈ ওলাইছোঁ সেই সময়ত ৰুছিয়াৰ শাসনকৰ্ত্তা আছিল সেই অত্যাচাৰী জাৰ-সকলৰেই বংশধৰ তৃতীয় আলেকজেণ্ডাৰ নিকোলাছ। প্ৰজাক শাসন কৰাৰ স্বত্ব তেওঁ স্বয়ং ঈশ্বৰৰপৰা পোৱা বুলি ৰবাই কৰি ওভতগোৰে নাচিছিল। জাৰৰ বিৰুদ্ধাচৰণ কৰিলে ঈশ্বৰৰ ওচৰত জগৰীয়া হব লাগিব বুলি দেশৰ ধৰ্ম্মগুৰুসকলে প্ৰজাৰ মাজত প্ৰচাৰ কৰি অতপলীয়া জাৰক দুগুণ অতপলীয়া হবলৈ সুযোগ দিছিল। জাৰৰ মন্ত্ৰী আৰু উপদেষ্টাবিলাকৰো অধিক সংখ্যক আছিল আটন্তিয়াৰ আৰু উচ্চ শ্ৰেণীৰ লোক। গতিকে দুখীয়া প্ৰজাৰ দুখ কুলাই পাচিয়ে নধৰা হৈ পৰিছিল। দেশত ঘূৰি ফুৰিছিল শালচকুৱা চোৰাং- চোৰাৰ দল। সেইহে প্ৰজাৰ হিতৰ অৰ্থে কোনোবাই কিবা কাম কৰিলেই তেওঁলোকৰ ভাগ্যত ঘটিছিল—হয় ববফেৰে আবৰি থকা সুদূৰ চাইবেৰিয়ালৈ নিৰ্ব্বাসন, নহয় বন্দীশাল, নাইবা ফাঁচী-কাঠ।

এইজন মূৰে ভৰিকঢ়া জাৰৰ শাসন কালতেই ১৮৮৭ খৃষ্টাব্দৰ মেই মাহৰ আঠ তাৰিখে নিচেই পুৱাতে এজন চঞ্চল ডেকাৰ বুকুৰ তেজেৰে ৰুছ চৰকাৰৰ ফাঁচী-শাল এখন তেজেৰে বাঙলী হৈ গল। জাৰক হত্যাকৰাৰ ষড়যন্ত্ৰ তেওঁ কৰিছিল, এয়েই আছিল তেওঁৰ অপৰাধ। চেণ্ট পিটাৰ্চবাৰ্গৰ বাতৰি-কাকতত এই নিকৰুণ সংবাদটি পঢ়িয়েই এটি সোতৰ বছৰীয়া

ল'ৰাই সেই কাকতখন দলিয়াই দি চিঞৰি উঠিল,—"শপত কাঢ়ি কৈছোঁ, মই ইয়াৰ প্ৰতিশোধ লৈহে এৰিম।"

এই সোত বছৰীয়া লৰাটি য়েই হল ৰুছ-শাসনকৰ্ত্তাৰ অত্যাচাৰত থকাসৰকা হোৱা সেই দেশৰ অৱহেলিত লাখ-বিলাখ জন-গণক নৱ প্ৰভাতৰ অৰুণালোকেৰে আশাৰ বাণী শুনাওঁতা ভৱিষ্যতৰ ৰুছ বিপ্লৱৰ ঘাই পুৰোহিত বিদ্ৰোহী লেনিন। আৰু যিজন ডেকাই জন্মভূমিৰ মঙ্গলৰ কাৰণে হিয়াৰ তপত তেজেৰে ফাঁচী-কাঠ বোলাই গ'ল তেওঁ লেনিনৰ আপোন ককায়েক আলেক-জেণ্ডাৰ উলিয়ানভ।

ৰুছিয়া দেশৰ ভল্‌গা নদীৰ পাৰত অৱস্থিত ছিমবাৰস্ক নগৰত ১৮৭০ খৃষ্টাব্দৰ এপ্ৰিল মাহত লেনিনে জন্ম গ্ৰহণ কৰে। তেওঁৰ ঘাই নাম হল ভ্লাডিমিৰ ইলিক উলিয়ানভ। তেওঁৰ পিতাদেৱেক ইলিয়া উলিয়ানভ্ ৰুছিয়াৰ ৰাজকীয় সৈন্য-বাহিনীৰ এজন বিষয়া আছিল। দৃঢ় মনোবল, ধৰ্ম্ম আৰু ৰক্ষণশীল স্বভাৱেই আছিল ইলিয়ানভৰ চৰিত্ৰৰ পৰিচয়। মাক মেৰিয়া আলেকজান্দ্ৰভনাও এগৰাকী গুণৱতী মহিলা আছিল। ছটা সতি-সন্ততিৰ ভিতৰত ফাঁচী-কাঠত অকালতে আওমৰণে মৰা আলেকজেণ্ডাৰ উলিয়ানভেই আছিল তেওঁলোকৰ প্ৰথম সন্তান। এই লৰাটি দেখাত কোমল প্ৰকৃতিৰ হলেও কোনো এটা কথাৰ সত্যাসত্য নিৰূপণ কৰাত তেওঁৰ আঁকোৰগোজা স্বভাৱ সততে ফুটি উঠিছিল। ছাত্ৰাৱস্থাত প্ৰাণী-তত্ত্বৰ বিষয়টোলৈ তেওঁৰ মন বৰকৈ টান খাইছিল। আন কি 'এনিলাইড'ৰ বিষয়ে তেওঁ গৱেষণাত মনপুতি লাগিব পৰা এনে এটি অচঞ্চল মনো চঞ্চল হৈ উঠিছিল দেশৰ আন্ধাৰ বুকুত নতুন পোহৰ বিচাৰি। জাৰৰ উস্তওালিয়ে কিমানদূৰ পাইছিলগৈ এইটো এটা তাৰেই নিদৰ্শন।

লেনিনে সৰুৰেপৰাই ককায়েকক তেওঁৰ জীৱনৰ আদৰ্শ কৰি লৈছিল। পঢ়াশলীয়া জীৱন ডোখৰত পঢ়া-শুনাত চোকা-বুদ্ধিৰ পৰিচয় দি তেওঁ শিক্ষকমণ্ডলীৰ মৰমৰ পাত্ৰ হৈ উঠিছিল। ষোল বছৰ বয়সত লেনিনৰ পিতৃ-বিয়োগ হয় আৰু সোতৰ বছৰ বয়সত তেওঁ ককায়েকক। এই দুটি দাৰুণ বিপদতো লেনিনৰ মাকে বিপুল ধৈৰ্য্য ধৰি ঘৰখন চম্ভালি ৰাখিলে।

ককায়েকৰ শোকাবহ মৃত্যুৰ এমাহৰ পিচতেই ছিম্বাৰস্ক জিমানছিয়ামৰ শেষ পৰীক্ষাত লেনিন উত্তীর্ণ হল। সেই বিদ্যালয়ৰ কর্তৃপক্ষৰপৰা তেওঁ এটি সোণৰ পদকো লাভ কৰিলে। ইয়াৰ পিচত তেওঁ কাজান বিশ্ববিদ্যালয়ত নাম লগাবলৈ গ'ল। ৰাজদ্রোহী আলেকজেণ্ডাৰৰ ভায়েক বুলি বিশ্ববিদ্যালয়ৰ কর্তৃপক্ষই তেওঁৰ নাম ভর্ত্তি কৰিব নুখুজিলে। পিচে ছিম্বাৰস্ক জিমনাছিয়ামৰ ডিৰেক্টৰ ফিয়ডৰ কেৰেনস্কীয়ে লেনিনৰ স্বভাৱ-চৰিত্র সম্পর্কে এখনি ভাল প্রমাণ-পত্র দিয়াতহে লেনিনৰ মনৰ কামনা পূর্ণ হল। ইলিয়ানউঁলিয়াভে তেওঁৰ পুত্র-কন্যা কেইটিৰ অভিভাৱক ৰূপে ফিয়ডৰ কেৰেনস্কীকেই মনোনীত কৰি থৈ গৈছিল।

কাজান বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ কোনোবাই যদি উদাৰ নীতি পোষণ কৰি বিশ্ববিদ্যালয়-সংক্রান্ত কিবা কামত হাত দিব খোজে, তেন্তে সেই অধ্যাপকক কর্তৃপক্ষই তেতিয়াই খেদি দিছিল। কোনো ছাত্রক ৰাজনীতিত জড়িত থকা বুলি সন্দেহ কৰিলে সেই ছাত্রৰ ভাগ্যত ঘটিছিল নির্ব্বাসন। কর্তৃপক্ষৰ এনেবোৰ অসজ আচৰণত শেষত ছাত্রসকল বিদ্রোহী হৈ উঠিল। তাতে ইন্ধন যোগালে লেনিনৰ বিপ্লৱী-মনে। লেনিনে ১৮৮৭ খৃষ্টাব্দৰ ডিচেম্বৰ মাহত ছাত্রসকলৰ দাবীবোৰ জনাই বিশ্ববিদ্যালয়ৰ বিদ্যাধীশৰ (ডীন) ওচৰত এখন স্মাৰক-পত্র দিলে। তাৰ ফল স্বৰূপে সেই ৰাতিয়েই আন দুকুৰি ছাত্রৰ লগত লেনিনক গ্রেপ্তাৰ কৰি বিশ্ববিদ্যালয়ৰপৰা উলিয়াই দিয়া হল।

মাকৰ অনুৰোধত চিপাহী-চন্তৰিৰ পহৰাত ককাস্কিনো পামত লেনিনক থাকিবলৈ দিয়া হল। ঘৰখনত আছিল অলেখ পুথি-পাঁজি। অৱসৰ বিনোদনৰ কাৰণে মৃগয়া আদি কৰিবলৈ সেই ঠাইডোখৰ সুচল আছিল। সাতে সোতৰে তাত থাকিবলৈ পাই লেনিনে ভালেই পাইছিল। অৱশেষত তেওঁ কাজানত থাকিবলৈ অনুমতি পালে। পিচে মাকৰ জয়দেউ কাকূতিতো কাজন বিশ্ববিদ্যালয়ে লেনিনক পুনৰ ভর্ত্তি নকৰিলে। কাজানত থকা কালডোখৰত ব্যৱহাৰ নোহোৱাকৈ পৰি থকা এটা বান্ধনি

ঘৰৰ ভিতৰত ওঠৰ বছৰীয়া লেনিনে কাৰ্লমাৰ্ক্সৰ কিতাপ পঢ়ি বিজ্ঞানসন্মত মাৰ্ক্সীয় সমাজ তন্ত্ৰবাদৰ সোৱাদ লৈ ভৱিষ্যতে নিজৰ জন্মভূমিতো এনে এটি সমাজতন্ত্ৰবাদী শাসন চলোৱাৰ সপোন দেখিছিল। ইয়াৰ পিচত লেনিনৰ গোটেইটো পৰিয়াল চামাৰালৈ উঠি গ'ল। তাত তেওঁ মাৰ্ক্সপন্থীয় সৰু দল এটা গঠন কৰিলে।

লেনিনক কাজান বিশ্ববিদ্যালয়ে পুনৰ ভৰ্ত্তি নকৰাত তেওঁৰ মাক হতাশ নহল। তেওঁ চেণ্টপিটাৰ্চবাৰ্গলৈ গৈ শিক্ষামন্ত্ৰী-দপ্তৰক পুতেকৰ হৈ ৰবকৈ খটাত তেওঁলোকে লেনিনক চেণ্ট-পিটাৰ্চবাৰ্গ বিশ্ববিদ্যালয়ৰপৰা আইন পৰীক্ষা দিবলৈ অনুমতি দিলে। লেনিনে ইয়াৰপৰাই সন্মানেৰে সৈতে আইন পৰীক্ষাত উত্তীৰ্ণ হল। এই সময়ত তেওঁৰ আপোন ভনীয়েক ওল্‌গাৰ মৃত্যু হোৱাত চামাৰালৈ ঘূৰি আহিল। চামাৰাত থকা কাল-ছোৱাত তেওঁ আগতে গঠন কৰি থোৱা মাৰ্ক্সপন্থীয় দলটিৰ কামতেই অধিক সময় খাটিছিল।

কাৰ্ল মাৰ্ক্সৰ সমাজতন্ত্ৰবাদ কাৰ্য্যকৰী কৰি তুলিবলৈ ইতিপূৰ্ব্বে ৰুছিয়াত গঠিত হোৱা 'চছিয়েল ডেমক্ৰেটিক পাৰ্টি নামৰ ৰাজনৈতিক দলটোৰ 'এল্ডাৰছ' বুলিবৰ যিটো গুপ্ত সংঘ আছিল লেনিনে ১৮৯৩ খৃষ্টাব্দত ৰাজধানীলৈ ঘূৰি গৈ তাত যোগ দিলে। বনুৱাবিলাকক তেওঁ আপোন কৰি ললে। কাৰ্ল মাৰ্ক্সৰ মতবাদ প্ৰচাৰ কৰি ছিন্নভিন্ন জনসাধাৰণক তেওঁ একতাৰ ডোলেৰে বান্ধ খুউৰাত লাগি গ'ল। পিচে অতিপাত পৰিশ্ৰম কৰাৰ কাৰণেই ১৮৯৫ খৃষ্টাব্দৰ আগভাগতে তেওঁ নিউমোনিয়া ৰোগত পৰিল। চিকিৎসাৰ বাবে তেওঁ চুইজাৰ-লেণ্ডলৈ গ'ল। ৰুছিয়াত মাৰ্ক্সবাদৰ ভিত্তি স্থাপন কৰোঁতে প্লেখানভ্ আৰু এক্সেলৰ্ ভক তেওঁ তাতে লগ পোৱাত তেওঁলোকৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ তেওঁৰ সোণালী সুযোগ ঘটিছিল। এই দুজন মাৰ্ক্সবাদী লোক ৰুছিয়াৰপৰা পলাই গৈ সেই সময়ত চুইজাৰলেণ্ডতেই বাস কৰি আছিল। মাৰ্ক্সৰ জোঁৱায়েক প'ল লাফাজকো পেৰিচত লগ পোৱাৰ সুযোগ তেওঁৰ ঘটে। ১৮৯৫ খৃষ্টাব্দত চেপ্টেম্বৰ মাহত লেনিন ৰুছিয়া

পালেহি। চেণ্টপিটার্চবার্গত জুলচ্‌মার্টভ নামৰ এজন ডেকা বিপ্লৱীৰ লগত তেওঁৰ চা-চিনাকি হ'ল। দুয়ো বাজহুৱা পুথি-ভঁৰালত প্ৰায়েই লগ লাগি তেওঁলোকৰ ভৱিষ্যতৰ কৰ্ম্মৰ আঁচনি যুগুত কৰাত লাগি গ'ল। তেওঁলোকে বাতৰি-কাকত এখনো প্ৰকাশ কৰিবলৈ যো-জা কৰিলে। শালচকুৱা গুপ্ত চিপাহীৰ দৃষ্টিত তেওঁলোক নপৰাকৈ নেথাকিল। সেই বছৰৰ ডিচেম্বৰ মাহত তেওঁলোকক বন্দী কৰা হ'ল। চৈধ্য মাহৰ কাৰণে ৰুছ্-চৰকাৰৰ আলহী হৈ লেনিন বন্দীশালত সোমাল। চেণ্টপিটার্চ-বার্গৰ এই বন্দীশালৰ নিয়মবোৰ কঠোৰ নাছিল। আপোন মানুহে সপ্তাহটোৰ ভিতৰত কেইবাবাৰো বন্দীলৈ পুথি-পাঁজি বা খোৱা বস্তু নিব পাৰিছিল। পুথি-পাঁজিবোৰ বন্দীক দিয়াৰ আগতে বন্দীশালৰ ৰখীয়াবিলাকে সেইবোৰ চাওঁ নেচাওঁকৈ চাই চোৱাৰ নাটোহে কৰিছিল। গতিকে এই পুথি-পাঁজিবোৰৰ সহায়ত বন্দীবিলাকে বন্দীশালৰ বাহিৰৰ ৰাজনীতিৰ লগতো সম্বন্ধ ৰাখি চলিব পাৰিছিল। লেনিনৰ মাকেও পুতেকক সততে দেখা কৰি তেওঁক কিতাপ-পত্ৰেৰে যোগান ধৰি আছিল। মাকৰ লগতে ককায়েকক দেখা কৰিবলৈ অহা আনা নামৰ ভনীয়েকজনীক ফুট আৰু সৰু বেখাৰে কথা প্ৰকাশ কৰাৰ প্ৰণালী লেনিনে আগতে শিকাই থৈছিল। এই উপায়েৰেও বন্দীশালৰ বাহিৰত নকা সহকৰ্ম্মীসকলৰ লগত তেওঁ সক্ৰিয় সহযোগ স্থাপন কৰিব পাৰিছিল।

বন্দী জীৱনতেই লেনিনে ধৰ্ম্মঘট সম্বন্ধে এখনি সৰু পুথি যুগুত কৰে আৰু ভালেমান পুথি-পাঁজি ঘাটি মেলি 'ৰুছিয়াত পুঁজিবাদৰ ক্ৰমবিকাশ' নামৰ বুজন ধৰণৰ পুথি এখন লিখিবলৈ লয়। কাৰাবাসৰপৰা মুকলি হোৱাৰ লগে লগে তেওঁক তিনি বছৰৰ কাৰণে পূব চাইবেৰিয়াৰ চুচেনস্কো নামৰ গাঁৱলৈ নিৰ্ব্বা-সিত কৰা হ'ল। ইয়াত তেওঁ সুখেৰেই কাল কটাইছিল। মনপুতি লিখা-পঢ়া কৰাৰ উপৰিও বৰশী বাই, পানীত সাঁতুৰি আৰু মৃগয়া কৰি তেওঁ তাত শান্তিপূৰ্ণ জীৱন যাপন কৰিছিল। নিতৌ সন্ধিয়া চুবুৰিৰে এজন খেতিয়কৰ বীণধ্বনি বজাই বজাই তেওঁ কৰ্ম্মক্লান্ত জীৱনৰ অৱসাদ আঁতৰাইছিল।

চেণ্ট্ পিটাৰ্চবাৰ্গত থাকোঁতেই ক্ৰাপ্স্কায়া নামৰ এগৰাকী বিপ্লৱবাদিনী মহিলা লেনিনৰ ঘনিষ্ঠতালৈ আহে। এই গৰাকী মহিলাই চেণ্ট্ পিটাৰ্চবাৰ্গৰ এখন নৈশ বিদ্যালয়ত বনুৱা-বিলাকক পঢ়ুৱাইছিল। বিপ্লৱবাদ প্ৰচাৰ কৰাৰ অভিযোগত এওঁকো চাইবেৰিয়ালৈ পঠিওৱা হ'ল—নিৰ্ব্বাসনদণ্ড ভোগ কৰিবলৈ। ১৮৯৮ খৃষ্টাব্দৰ মেই মাহত ক্ৰাপ্স্কায়া লেনিনৰ ওচৰ পালেহি। ছুচেন্স্কোৰ হাই-উৰুমি নোহোৱা এটি শান্ত পৰিবেশৰ মাজত এদিন বিৱাহ-বান্ধনেৰে তেওঁলোক দুয়ো দুইকো জীৱন মৰণৰ লগৰীয়া কৰি ললে। বৈৱাহিক জীৱনত সোমোৱাৰ পিচত তেওঁলোকে ছিড্নি আৰু বিয়েট্ৰিছ ওৱেবৰ 'থিয়ৰি এণ্ড প্ৰেক্টিচ্ অৱ্ ট্ৰেড্ ইউনিয়নিজ্ম্' বোলা কিতাপখন সদায় ৰাতিপুৱাৰ কালডোখৰত ৰুছ ভাষালৈ ভাঙনি কৰে। লেনিনে নিজে লিখা 'ৰুছিয়াত পুঁজিবাদৰ ক্ৰমবিকাশ' নামৰ কিতাপখন সদায় আবেলি দুয়ো দুঘণ্টাকৈ নকল কৰে। 'ব্লাডিমিৰ ইলিন' বুলি উপনাম লৈ লেনিনে এই কিতাপখন ১৮৯৯ খৃষ্টাব্দত ছপা কৰি উলিয়ায়। এই কিতাপখনে মাৰ্ক্সীয় মতবাদত বিপুল ব্যুৎপত্তি থকা লোক বুলি তেওঁক প্ৰতিষ্ঠা কৰিলে। নিৰ্ব্বাসনৰ কালতে তেওঁ 'দি এইমচ্ অৱ্ ৰাছিয়ান চ'ছিয়েল ডেমক্ৰেটচ্' বুলিবৰ আন এখনি কিতাপ ৰচনা কৰি ছপায়। এই কিতাপতে লিখকৰ নাম হিচাপে তেওঁ প্ৰথম লেনিন নামটো ব্যৱহাৰ কৰে। ছুচেন্স্কো গাঁৱৰ মাজেদি বৈ যোৱা লেনা নৈৰ নামৰ পৰাই তেওঁৰ নাম লেনিন হয়। লেনিন-দম্পতীৰ ঘৰখনেই আছিল নিৰ্ব্বাসিত ৰাজনৈতিক লোকসকলৰ সদৰ-কাৰ্য্যালয় স্বৰূপ। গতিকে লিখা-পঢ়াৰ উপৰিও তেওঁলোকক আৰু ভালেমান কামে জুমুৰি দি ধৰিছিল।

১৯০০ খৃষ্টাব্দত লেনিন নিৰ্ব্বাসনৰপৰা ঘূৰি আহিল। তাৰ পিচত ৰুছিয়াৰ বাহিৰৰপৰা এখন বাতৰি-কাকত উলিয়াই তেওঁলোকৰ মতবাদ ভালদৰে প্ৰচাৰ কৰিবলৈ লেনিনে চুইজাৰ-লেণ্ডলৈ যাত্ৰা কৰিলে। তাত প্লেখানভ্ আৰু এক্সেলৰডৰ লগত তেওঁ এই বিষয়ে আলোচনা কৰিলে। জাৰ্ম্মানীৰ চ'ছি-য়েল ডেমক্ৰেটিক পাৰ্টিয়ে কাকতখন ছপোৱাৰ সা-সুবিধাৰ

দিবলৈ গাত ললে। সেই বছৰৰ শেষৰফালে লিপ্‌জিগৰপৰা লেনিনৰ সম্পাদনাত 'ইছ্‌ক্ৰা' নামৰ বাতৰি-কাকতখনৰ প্ৰথম সংখ্যাটো ছপা হৈ ওলাল। 'ইছ্‌ক্ৰা' শব্দটোৰ অৰ্থ হ'ল ফিৰিঙতি। এই কাকত ৰুছিয়ালৈ মনে মনে পঠিওৱা হ'ল। এই সময়তে লেনিনৰ পত্নীয়েও ৰুছিয়াৰপৰা আহি স্বামীৰ কাৰ্য্যত হাত-উজান দিলেহি। নানান অসুবিধাত ১৯০২ খৃষ্টাব্দৰ এপ্ৰিল মাহত 'ইছ্‌ক্ৰা'ৰ কাৰ্য্যালয় লণ্ডনলৈ তুলি নিয়া হ'ল। ৰুছিয়াৰ আন এগৰাকী সন্ত্ৰাসবাদী নেতা ট্ৰট্‌স্কীৰ লগত এই লণ্ডনতেই লেনিনৰ প্ৰথম চা-চিনাকি হয়। ট্ৰট্‌স্কীকো লেনিনে 'ইছ্‌ক্ৰা'ৰ সম্পাদনা-সমিতিত সুমুৱাই ল'লে। 'ইছ্‌ক্ৰা'ৰ সম্পাদনা-সমিতিৰ ভিতৰত মতভেদ হোৱাত ইয়াৰ কাৰ্য্যালয় জেনেভালৈ স্থানান্তৰিত কৰা হ'ল। ভৱিষ্যতৰ ৰুছ-বিপ্লৱলৈ মানুহক ভালদৰে সাজু কৰি তোলাত এই বাতৰি কাকতখনে বিস্তৰ পৰিমাণে সহায় কৰিলে। এই কাকতখনৰ জৰিয়তে প্ৰচাৰ-কাৰ্য্য চলাই ১৯০৩ খৃষ্টাব্দত ব্ৰুছেলছত ৰুছিয়াৰ ৰাজনৈতিক কৰ্ম্মীসকলৰ প্ৰথম অধিৱেশন বহুওৱা হ'ল। বেলজিয়মৰ চৰকাৰে এই বিষয়ত বিধি-পথালি দিলত অধিৱেশনৰ শেষৰ কামখিনি লণ্ডনতহে সমাপন কৰিবলগীয়া হৈছিল। এই সন্মিলনত দুটা বিভিন্ন দলৰ সৃষ্টি হ'ল। সংখ্যাগৰিষ্ঠ দলটোৰ সভাপতি হ'ল লেনিন আৰু সংখ্যালঘিষ্ঠ দলটোৰ নেতৃত্ব কৰিলে মাটভে। 'বলছিণ্টছভো' আৰু 'মেণ্টছিণ্টছভো' ৰুছ ভাষাৰ এই শব্দ দুটাই ক্ৰমে সংখ্যা গৰিষ্ঠতা আৰু সংখ্যা লঘিষ্ঠতা বুজায়। গতিকে লেনিনৰ দলটোৰ নাম হ'ল 'বলছেভিক' আৰু মাটভৰ দলটোক 'মেনছেভিক' বোলা হ'ল। 'ইছ্‌ক্ৰা'ৰ সম্পাদনা-সমিতিত উভয় দলেৰে সমান সংখ্যক সভ্য থাকিব লাগে বুলি খোৱাকামোৰা লগাত লেনিনে সেই কাকতৰ লগত চাহ এৰা দি 'পেৰিয়ড্‌' বুলিবৰ আন এখন বাতৰি-কাকত উলিয়াই তেওঁলোকৰ মতবাদ প্ৰচাৰ কৰাত লাগিল।

এনেতে ১৯০৪ চনত ৰুছ-জাপান যুদ্ধ লাগিল। এই যুদ্ধত জাপানে ৰুছিয়াৰ কঁকাল ভাঙিলে। লগতে আহি

পৰিল ভীষণ আকাল। প্ৰজাৰ অৱস্থা বৰ বেয়াৰ ফালে ঢাল খালে। জাৰৰ শাসনৰ বিৰুদ্ধে গোটেই ৰুছিয়াতে বিদ্ৰোহৰ ভাবে দেখা দিলে। বিবুদ্ধিত পৰি জাৰে জনসাধাৰণে নিৰ্ব্বাচিত কৰি পঠিওৱা সভ্য লৈ 'ডুমা' নামৰ ব্যৱস্থাপক সভা এখনি পাতিলে। এই নিৰ্ব্বাচনত সহযোগ নকৰি লেনিনৰ দলটোৱে সশস্ত্ৰ বিদ্ৰোহ তোলাত লাগি গ'ল। মস্কোত ধৰ্ম্মঘট হ'ল, ৰেলৱে কৰ্ম্মচাৰীবিলাকে ধৰ্ম্মঘট কৰি গোটেই দেশতে ৰেলগাড়ীৰ চলাচল অচল কৰি তুলিলে। সেইবোৰ দেখি শুনি জাৰে আদাৰ জাল পঁইতাত মাৰিবলৈ সৈন্যবিভাগ, নৌ-বাহিনী আৰু বৈদেশিক নীতিৰ কৰ্ত্তৃত্ব ডুমাৰপৰা কাঢ়ি ল'লে। বিত্তবিভাগটো জাৰে নিজৰ হাতলৈ আনিলে। ডুমাই প্ৰজাৰ অভাৱ-অভিযোগবোৰ আলোচনা কৰিবলৈ ওলোৱাত জাৰে ডুমা ভাঙি দিলে। ইফালে গীৰ্জ্জা, মঠ আৰু ৰাজপৰিয়ালে ভোগ কৰি থকা সকলো মাটি জাতীয় সম্পত্তি কৰিব লাগে বুলি ৰুছিয়াৰ বাহিৰত সম্মিলন এখন পাতি লেনিনে প্ৰস্তাৱ ললে। লেনিনৰ জুইৰ আঙনিৰ দৰে এই কথাবোৰে ৰাইজৰ মনত দকৈ শিপোৱা যেন দেখি ১৯০৭ খৃষ্টাব্দত জাৰে পুনৰ ডুমা বহুৱালে। প্ৰজাক তেওঁলোকৰ নিজৰ নিজৰ মাটিৰ অধিকাৰ দিয়া হ'ব বুলি ঘোষণা কৰা হ'ল। ডুমাৰপৰা সাম্যবাদী সভ্যবিলাকক খেদি দিব লাগে বুলি জাৰে জনোৱা দাবী ডুমাই নমনাত ডুমা এইবাৰো ভাঙি দিয়া হ'ল। ঈশ্বৰে পঠিওৱা ৰুছিয়াৰ একমাত্ৰ ভাগ্যবিধাতা তেওঁৱেঁই বুলি জাৰে ঘোষণা কৰি কলে যে তেওঁ তেওঁৰ কামৰ কৈফিয়ৎ একমাত্ৰ ঈশ্বৰৰ ওচৰতহে দিব।

তৃতীয় আৰু চতুৰ্থখন ডুমাৰ সভ্য নিৰ্ব্বাচনত জাৰৰ বিৰোধী দলৰ সভ্যবিলাক পৰাজিত হোৱাত এই দুখন ডুমাত জাৰৰ দলীয় সভ্যই সংখ্যা-গৰিষ্ঠতা লাভ কৰিলে। ইফালে লেনিনে ৰুছিয়াৰ 'চ'ছিয়েলিষ্ট ডেমক্ৰেটিক লেবাৰ পাৰ্টিৰ' সভা এখন লণ্ডনত বহুৱালে। ডুমাই জনসাধাৰণৰ প্ৰতিনিধিত্ব নকৰে বুলি সভাত প্ৰস্তাৱ লোৱা হ'ল। ইয়াৰ পিচত লেনিনে ইউৰোপৰ কেইবাখনো দেশলৈ গৈ তেওঁলোকৰ মতবাদ সেইবোৰ দেশৰ ৰাইজক ভালদৰে বুজালে। ১৯১১ খৃষ্টাব্দত জিনো-

ভিয়েভ আৰু কামেনেভ নামৰ দুজন শক্তিশালী লোক আছি লেনিনৰ কাৰ্য্যত হাত-উজান দিয়াত শেষ লক্ষ্যৰ ফালে আগবাঢ়ি যাবলৈ তেওঁ পালে বিপুল উৎসাহ আৰু উদ্দীপনা ।

তৃতীয় ডুমাৰ অধিবেশন বহি থাকোঁতেই ৰুছিয়াৰ প্ৰধান-মন্ত্ৰী ষ্টালিপিনে আততায়ীৰ গুলীত প্ৰাণ এৰিলে। তাৰ কিছুদিন পিচতেই চাইবেৰিয়াৰ কয়লাৰ খনি এটাত ধৰ্ম্মঘট হ'ল। ৰুছ-সৈন্যই তিনিশ ধৰ্ম্মঘটকাৰী বনুৱাক গুলীয়াই হত্যা কৰিলে। এই বিষয়ে ডুমাত প্ৰশ্ন সোধা হ'লত ভাৱপ্ৰাপ্ত মন্ত্ৰীয়ে উত্তৰ দিলে,—"যেনেকুৱা হোৱা উচিত আছিল ঠিক তেনেকুৱা কামেই হৈছে।"

১৯৬২ খৃষ্টাব্দত বলচেভিক দলৰ মুখপত্ৰ 'প্ৰাভ্‌দা' নামৰ বাতৰি-কাকত এখন ওলাল। 'প্ৰাভ্‌দা' শব্দৰ অৰ্থ 'সত্য'। এই কাকতখনে বনুৱাবিলাকৰ ওপৰত প্ৰচুৰ প্ৰভাৱ বিস্তাৰ কৰিলে। প্ৰায় দুকুৰি হেজাৰ বনুৱাই এই কাকতখন চোবাংকৈ পঢ়িছিল। কিছুদিন পিচত জাৰ চৰকাৰে 'প্ৰাভ্‌দা' বন্ধ কৰি দিলে। এই বছৰতে প্ৰেগ্ নগৰত বলচেভিক দলৰ অনুষ্ঠান এটি পতা হ'ল। ভাৱী কাৰ্য্যৰ বাবে আঁচনি কৰি এই অনুষ্ঠানৰ জৰীয়তে তলে তলে প্ৰচাৰৰ কাম চলাই থকা হ'ল।

এনেতে পালেহি ১৯১৪ খৃষ্টাব্দৰ প্ৰথম মহাসমৰ। ৰুছিয়াই জাৰ্ম্মানী আৰু অষ্ট্ৰিয়া হাঙ্গেৰীৰ বিৰুদ্ধে ইংলণ্ড আৰু ফৰাচী দেশৰ ফলীয়া হ'ল। মহাযুদ্ধৰ আৰম্ভণিতে লেলিন শত্ৰুপক্ষৰ দেশ অষ্ট্ৰিয়াত আছিল। তেওঁক পোনতে শত্ৰুপক্ষীয় বুলি বন্দী কৰা হৈছিল যদিও পিচত এৰি দিয়াত তেওঁ চুইজাৰলেণ্ডলৈ গ'ল। এই মহাযুদ্ধক লেনিনে সাম্ৰাজ্যবাদী যুদ্ধ বুলি ধৰি ল'লেও তাৰ ভালৰ ফালটোও তেওঁৰ চকুত নপৰাকৈ নেথাকিল। এই মহাযুদ্ধই জগতজোৰা বিপ্লৱৰ সৃষ্টি কৰি পুৰণিৰ গৰাখহনীয়াত নতুনৰ ভিত্তি স্থাপন কৰাৰ সপোন তেওঁ দেখিছিল।

১৯১৫ খৃষ্টাব্দত ৰুছিয়াত যাৰ পৰ নাই দুৰ্য্যোগ নামিল। জাৰ্ম্মানীৰ সৈন্য-বাহিনীয়ে ৰুছ-সৈন্যক জুলুকি জুলুকিকৈ শিকালে। ইফালে জাৰৰ লগত ডুমাৰ খকাখুন্দা লাগিবলৈ ধৰিলে। ডুমা ভাঙি দি তেওঁ স্বয়ং ৰুছসৈন্যৰ হৰ্ত্তা-কৰ্ত্তা হৈ

পৰিল। তথাপি ৰুছসৈন্যই পৰাজয় বৰণ কৰিবলগীয়াত পৰিল। তাতে বলচেভিকসকলে উচটাই দিয়াত দেশজুৰি অসন্তোষৰ ধুমুহা বলিবলৈ ধৰিলে। কেউপিনে ধৰ্ম্মঘটৰ পুলি-পোখা মেলিলে। ১৯১৬ খৃষ্টাব্দত লেনিনে 'সাম্ৰাজ্যবাদ ধনতন্ত্ৰৰেই চৰম প্ৰকাশ' বুলি কিতাপ এখন উলিয়ালে। এই গ্ৰন্থখনেও ৰুছিয়াৰ জনসাধাৰণৰ বিদ্ৰোহী অন্তৰত বাৰুকৈয়ে ইন্ধন যোগালে।

১৯১৭ খৃষ্টাব্দৰ মাৰ্চ্চৰ দহ তাৰিখে চেণ্ট্ পিটাৰ্চবাৰ্গৰ আটাইবিলাক বনুৱাই ধৰ্ম্মঘট কৰিলত সেইবিলাকৰ ওপৰত গুলী চালনা কৰিবলৈ জাৰৰ সৈন্য-বাহিনীক আদেশ দিয়া হ'ল। সৈন্য-বাহিনীয়ে এই আদেশ অমান্য কৰি ধৰ্ম্মঘটকাৰীবিলাকৰ লগতহে যোগ দিলেগৈ। উপায়ান্তৰ হৈ জাৰে মাৰ্চ্চৰ ১৫ তাৰিখে ৰুছ সিংহাসন ত্যাগ কৰিবলৈ বাধ্য হ'ল। ডুমাই যুৱৰাজ লভৰ নেতৃত্বত সাময়িক চৰকাৰ গঠন কৰিলে। 'প্ৰাভ্দা' পুনৰ ওলাল। লেনিন আৰু ট্ৰট্স্কী ৰুছিয়ালৈ ঘূৰি আহিল। চেণ্ট্ পিটাৰ্চবাৰ্গত হজুৱা-বনুৱা, নাবিক, সৈন্য আদি সকলোৱে লেনিনক স্বাগত সম্ভাষণ জনালে। ইংলণ্ড আৰু ফৰাচী দেশৰ পুঁজিপতিৰ প্ৰভাৱ থকা চৰকাৰ বুলি লেনিনে সাময়িক চৰকাৰক ভাল চকুৰে নেচালে। তেওঁ 'চোভিয়েট্' অৰ্থাৎ হজুৱা বনুৱা, খেতিয়ক আদিৰ চৰকাৰ গঠন কৰাৰহে পক্ষপাতী হ'ল। এই সাময়িক চৰকাৰে লেনিন, ট্ৰট্স্কী আৰু কামেনভক গ্ৰেপ্তাৰ কৰিবলৈ আদেশ দিলে। লেনিন পলাই সাৰিল। বাকী দুজনক ধৰি ফাটেক দিয়া হ'ল। এই সময়ত লেনিনে দুটা প্ৰবন্ধ লিখি বাতৰি-কাকতৰ জৰীয়তে প্ৰচাৰ কৰিলে। কোনো এটা নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সাংবিধানিক সভা আহ্বান কৰি দেশৰ সমস্ত শাসনভাৰ চোভিয়েটসকলৰ হাতত দিব লাগে বুলি লেনিনে এই প্ৰবন্ধ দুটাত বিশেষ জোৰ দিছিল।

মহাযুদ্ধৰ কাৰণে দেশত অৰ্থনৈতিক অৱনতি ঘটাত ৰুছিয়াত খাদ্য-বস্তুৰ বৰ নাটনি হৈ পৰিল। দেশৰ অৰ্থৰ ভঁৰাল ব্যৱহাৰ কৰিবলৈ ক্ষমতা লাভ কৰিলে চোভিয়েটসকলে 'কাম নকৰা কোনো মানুহেই খাবলৈ নেপাব' এই সত্য নীতিটো কাৰ্য্যকৰী কৰি তুলিব পাৰিব বুলি লেনিনে মত প্ৰকাশ কৰিলে।

ইয়াৰ পিচতে নিখিল ৰুছ চোভিয়েট কংগ্ৰেছৰ অধিবেশনৰ সিদ্ধান্তমতে সাময়িক চৰকাৰ ওফৰাবলৈ বনুৱাদলৰ এটি সশস্ত্ৰ বাহিনী গঠন কৰা হল। এই সশস্ত্ৰ বাহিনীয়ে দেশত তল-ওপৰ লগাই দিলে। প্ৰধান মন্ত্ৰী কেৰেনস্কী পলাই সাৰিল। বাকী কেইজন মন্ত্ৰীক বন্দী কৰা হল। লেনিনে 'কাউন্সিল অৱ পিপোলছ কমিচচি' নামেৰে বনুৱা আৰু খেতিয়ক চৰকাৰ এটি প্ৰতিষ্ঠা কৰিলে। এই চৰকাৰৰ সভাপতি হল লেনিন নিজে। মন্ত্ৰীসভাত ট্ৰট্স্কী আৰু আন এজন প্ৰতিভাশালী বিপ্লৱী ষ্টেলিনকো সুমুৱাই লোৱা হল। 'লুণ্ঠনকাৰীবিলাকক লুণ্ঠন কৰিব লাগে এইটোৱেই হল বলচেভিকসকলৰ ধ্বনি। তেওঁলোকে চহকীবিলাকৰ বিৰুদ্ধে উঠি-পৰি লাগিল। পৈণত চোৰাংচোৱাৰ বিভাগ এটি খোলা হল। চেণ্টপিটাৰ্চবাৰ্গ আৰু দেশৰ আটাইবোৰ বেল ষ্টেছনত খানাতালাচ কৰা হল। ট্ৰেড-ইউনিয়নবিলাক চৰকাৰে নিজৰ হাতলৈ আনিলে। দেশৰ খাদ্য-সামগ্ৰীৰ ভঁৰালবোৰ আটক কৰা হল। লাভৰ কাৰণে খাদ্য-সামগ্ৰীৰ বেপাৰ কৰা বা সেইবোৰ সাঁচি থোৱা লোকবিলাকক ঠাইতে গুলীয়াই হত্যা কৰা হল।

১৯১৮ খৃষ্টাব্দত বলচেভিকসকলে ব্ৰেষ্ট লিটৱস্ক চুক্তি মানি ললে। এই চুক্তিমতে ৰুছিয়াৰ অধীনত থকা পোলেও, এস্তো-নিয়া, লাটভিয়া, লিথুনিয়া আৰু ইউক্ৰেইন প্ৰদেশ জাৰ্ম্মানীৰ হাতলৈ গ'ল। এই চুক্তি ৰুছিয়াৰ পক্ষে অপমানজনক হলেও ৰুছিয়াৰ শাসনকাৰ্য্য ভালদৰে গঠন কৰিবলৈ তেওঁলোকে এই চুক্তিক মানি লৈছিল। জনসাধাৰণে কিন্তু এই চুক্তিক ভাল-চকুৰে নেচালে। অকল ৰুছিয়াত নহয়, পৃথিৱীৰ অন্যান্য দেশতো বিপ্লৱদ্বাৰা জনসাধাৰণৰ চৰকাৰ গঠন কৰাটোৱেই আছিল বলচেভিকসকলৰ উদ্দেশ্য। গতিকে মিত্ৰপক্ষীয় দেশসমূহকে ধৰি চৈধ্যখনদেশে ৰুছিয়াৰ বলচেভিক চৰকাৰৰ পুলিপোখা উঘালিবলৈ কঁকালত টঙালি বান্ধি ওলাল। আন কি জাৰ্ম্মানীয়েও ৰুছিয়া চৰকাৰৰ বিৰুদ্ধে নামিল। ইংৰাজী আৰু জাপানৰ সৈন্যই ৰুছিয়াৰ বিখ্যাত বন্দৰ ভ্লাডিভোষ্টক অধিকাৰ কৰিলে। ৰুছিয়াৰ পূৱ আৰু দক্ষিণ অঞ্চল লেনিনৰ বিদ্ৰোহী

হৈ উঠিল। মিত্ৰপক্ষই ৰুছিয়াৰ উত্তৰভাগত থকা বন্দৰবোৰত সৈন্য নমালে। এইবোৰ দমন কৰিবলৈ বৈপ্লৱিক বাহিনী গঠন কৰা হল। এই বৈপ্লৱিক বাহিনীৰ কৰ্ম্ম তৎপৰতাত আৰু শেষত মিত্ৰপক্ষীয় দেশবিলাকৰ জনতাৰ চেষ্টাত ৰুছিয়াৰ আকাশৰপৰা এই ক'লাডাৱৰ উৰি গ'ল। তাৰ পিচতেই লেনিনে ললে ৰুদ্ৰ ৰূপ। বলচেভিক চৰকাৰক ভৱিষ্যতলৈয়ো সকলোবোৰ আলৈ-আহুকালৰ পৰা ৰক্ষা কৰিবলৈ তেওঁৰ আদেশত এটা ৰাতিৰ ভিতৰতেই জাৰ আৰু কেৰেনস্কীৰ ফলীয়া পোন্ধৰ শ ৰাজনৈতিক বন্দীক চেণ্টাৰ্চ বন্দীশালত গুলীয়াই হত্যা কৰা হল। ইয়াৰ পিচত ১৯১৮ খৃষ্টাব্দৰ ১৬ জুলাইৰ দিনা মাজৰাতি জাৰক সপৰিয়ালে নিধন কৰা হল। ১৭ জুলাইৰ দিনা ৰাজবংশৰ আৰু সাতজনক নিপাত কৰি জাৰ বংশৰ চিনচাৰ পৃথিৱীৰ বুকুৰপৰা নোহোৱা কৰিলে। এইবোৰ হত্যাকাণ্ডৰ আগতেই জাৰৰ ভায়েককো সংহাৰ কৰা হল। সেই বছৰৰে আগষ্টৰ তিনি তাৰিখে এজনী তিৰুতাই লেনিনলৈ টোৱাই গুলী মাৰিলে। লেনিন আহত হল। আগষ্টৰ চাৰি তাৰিখে এই তিৰুতাজনীক হত্যা কৰা হল। এই সম্পৰ্কত হেজাৰ বিজাৰ মানুহে প্ৰাণ এৰিবলগীয়াত পৰিল।

লেনিনে এতিয়া দেশ গঠনৰ কামত সম্পূৰ্ণভাৱে মনোনিৱেশ কৰিলে। পৃথিৱীৰ ধনতান্ত্ৰিক দেশবিলাকৰ লগত চুক্তি কৰি সেইবোৰ দেশৰপৰা যন্ত্ৰ-পাতি কল-কাৰখানা তেওঁ ৰুছিয়ালৈ আনিলে। ইংলণ্ড, তুৰস্ক আৰু পোলেণ্ডৰ লগত চুক্তি কৰি দেশৰ বাণিজ্যৰ প্ৰসাৰতা বঢ়োৱা হ'ল। ৰুছিয়াৰ ঠায়ে ঠায়ে চৰকাৰী বেঙ্কবোৰ পতা হ'ল। ব্যৱসায়ীবিলাকে বাণিজ্যৰ স্বাধীনতা পালে। বনুৱাবিলাকক অধিক নিয়মানুৱৰ্ত্তী কৰা হ'ল। চহাবিলাকে খাদ্যবস্তুৰ সলনি আন বস্তুৰে ৰাজহিতহি দিব পৰা হোৱাত চহাবিলাকৰ বৰ সুবিধা হ'ল। যাতায়াতৰ বাবে উপযুক্ত যান-বাহনৰ সুন্দৰ ব্যৱস্থা কৰাত যাত্ৰীৰ দুখ ভালেখিনি আঁতৰি গ'ল। কয়লা আৰু লোৰ অধিক উৎপন্ন কৰি সেইবোৰ শিল্পৰ উন্নতিৰ বাবে খটুৱা হ'ল। ইংলণ্ডৰ সেই সময়ৰ প্ৰধানমন্ত্ৰী লয়েড্ জৰ্জ্জৰ নিমন্ত্ৰণ মতে

লেনিনে আন্তর্জ্জাতিক অর্থনৈতিক সম্মিলনত যোগ দি অর্থনৈতিক সমস্যাৰ বিষয়ে তেওঁ নিজৰ মতামত ভালদৰে প্ৰকাশ কৰিলে।

এই লৌহমানৱ গৰাকীয়ে ৰুছিয়াক পৃথিৱীৰ ভিতৰতে এখন জাকত জিলিকা দেশত ৰূপায়িত কৰি তুলিলে। সোতৰ বছৰ বয়সত ককায়েক আলেকজেণ্ডাৰৰ অতি করুণ মৃত্যুৰ বাতৰি পাই লেনিনে জাৰ চৰকাৰৰ ওপৰত প্ৰতিশোধ লবলৈ যিদৰে অঙ্গীকাৰ কৰিছিল সেই অঙ্গীকাৰ তেওঁ আখৰে আখৰে পালন কৰিলে। ইয়াত প্ৰথমতে তেওঁৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ ভাব নিহিত হৈ আছিল সঁচা; কিন্তু তেওঁৰ হিয়াৰ প্ৰতি টুপি তেজতে ফুটি উঠা জন্মভূমি প্ৰেমে তেওঁৰ এই ব্যক্তিগত স্বাৰ্থক ম্লান কৰি তুলিছিল। জাৰৰ শাসনত জুৰুলা হোৱা ৰুছিয়াৰ জনসাধাৰণৰ জীৱনলৈ হেৰোৱা মধুৰতা ঘূৰাই আনিবলৈ তেওঁ বজ্ৰকঠোৰ ৰূপ লবলগীয়া হলেও জীৱনৰ আন এটি চমৎকাৰ দিশো আমাৰ চকুত নপৰাকৈ নেথাকে।

তেওঁ আছিল অহঙ্কাৰ নোহোৱা এজন প্ৰথম শ্ৰেণীৰ ৰাষ্ট্ৰ-নায়ক। তেওঁ আছিল সাহিত্যিক। আজীৱন বলচেভিকবাদৰ বিৰুদ্ধে থিয় হোৱা মাৰ্টভক তেওঁ বিশ্বাসঘাতক আখ্যা দিছিল। অথচ এই একেজন লেনিনেই গৰ্ব্বৰ আগত মাৰ্টভৰ বিষয়ে কৈছিল,—"কি দুখৰ কথা যে মাৰ্টভ আমাৰ লগত নাই। তেওঁ আচৰিত ধৰণৰ সহযোগী। তেওঁ অতুলনীয়!" সেইবুলি লেনিনে তেওঁৰ ব্যক্তিগত মৰম-চেনেহখিনিক তেওঁৰ দেশ গঠনৰ কাৰ্য্যত প্ৰভাৱ বিস্তাৰ কৰিবলৈ নিদিছিল। শত্ৰুক তেওঁ ক্ষমা নকৰিছিল সঁচা; পিচে কোনোবা শত্ৰুৰদ্বাৰাও যদি কিবা ভাল কাম হোৱাৰ আশা তেওঁ দেখে, সেইজন সৰাতোকৈ চৰম শত্ৰু হ'লেও লেনিনে তেওঁক ক্ষমা কৰিছিল। লেনিনে জনসাধাৰণৰ মনস্তত্ত্ব বৰ বঢ়িয়াকৈ বুজিছিল। ভাষাৰ তেজস্বিতাৰে তেওঁ শ্ৰোতাসকলক সম্মোহিত কৰি ৰাখিব পাৰিছিল। প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰি, কোমল বয়সীয়া ল'ৰা-ছোৱালী আৰু জীৱ-জন্তুক মৰম কৰি তেওঁ ভাল পাইছিল। মাকৰ কবৰত সেৱা জনোৱা, ১৯২৩ খৃষ্টাব্দৰ খৃষ্টমাছৰ দিনাখন খেতিয়কসকলে তেওঁৰ ঘৰত ভোজন কৰা দৃশ্যটি চাই ৰুগীয়া

অৱস্থাতে পৰম প্ৰীতি লাভ কৰা আদি ভালেমান উদাহৰণে লেনিনৰ জীৱনৰ কোমল ফালটো আমাৰ আগত দাঙি ধৰে।

কামৰ হেঁচাত ১৯২0 খৃষ্টাব্দৰপৰাই লেনিনৰ শাৰীৰিক অৱনতি ঘটি আহিছিল। সেই বছৰতে তেওঁৰ ৰৰকৈ মূৰঘূৰণি হৈছিল। ইয়াৰ পিচত তেওঁ বাক্-শক্তি হেৰুৱালে আৰু শৰীৰৰ সোঁফালটো অচল হৈ পৰিল। ১৯২৪ খৃষ্টাব্দৰ ২১ জানুৱাৰীৰ দিনা সন্ধিয়া সাত বজাত লেনিনৰ কৰ্ম্মক্লান্ত জীৱনলৈ নামি আহিল অনন্ত টোপনি। লেনিনৰ টোপনি আৰু নেভাঙিল। কিন্তু তেওঁ তুলি থৈ যোৱা জাগৰণে ৰুছিয়াক দিনে দিনে উন্নতিৰ চৰম সীমালৈ আগুৱাই লৈ যাব লাগিছে।

---

# ছান্ ইয়াৎ-ছেন্

বিবাট ৰুছিয়া দেশৰ শাসনকৰ্ত্তা জাৰসকলৰ স্বেচ্ছাচাৰিতাত সেই দেশৰ জনসাধাৰণে ত্ৰাহিমধুসূদন দেখাৰ দৰে পৃথিৱীৰ আন এখনি বিবাট আৰু জনবহুল দেশ চীনৰ জনসাধাৰণেও মাঞ্চু বংশৰ ৰজাসকলৰ অতপলীয়া শাসনত জীৱনৰ মধুৰতা হেৰুৱাই পেলাইছিল। এই ৰজাসকলে কেইবা শ বছৰ জুৰি চীন দেশ শাসন কৰিছিল। প্ৰজাৰ সুখ দুখলৈ একেবাৰে আওকাণ কৰি এওঁলোকে বিলাসিতাৰ সোঁতত নিজকে উটুৱাই দিছিল। তেওঁলোকৰ তলতীয়া বিষয়াবিলাকো কম পানীৰ মাছ নাছিল। ৰাজভঁৰালৰ টকা আত্মসাৎ কৰি তেওঁলোকে নিজৰ স্বাৰ্থ পূৰণ কৰিছিল। মাঞ্চুৰজাৰ আদেশ ভগৱন্তৰ আদেশ বুলি পালন নকৰিলে সেই প্ৰজাৰ ৰক্ষা নাছিল। চীনদেশৰ মেধাৱী লোক-সকলে জগতৰ সভ্যতা সংস্কৃতিলৈ ছপা কল, দিকনিৰ্ণয় যন্ত্ৰ, কাগজ আৰু খাৰ-বাৰুদ আদি ভালেমান লেখত লবলগীয়া দান আগ-বঢ়াই এফালে যেনেকৈ চীনদেশক জগতৰ চকুত গৌৰৱমণ্ডিত কৰি তুলিছিল, আনফালে আকৌ মাঞ্চুৰজাসকলৰ মুৰে ভৰি কঢ়া আচৰণে অকল চীনৰ ৰাজতন্ত্ৰ কিয়, জগতৰ আটাইবোৰ ৰাজ-তন্ত্ৰৰ ওপৰতেই কালিমা সানি দিছিল।

ৰুছিয়াত জাৰৰ শাসনৰ ওৰ পেলাবলৈ তাত বিপ্লৱী লেনিনৰ অভ্যুদয় হোৱাৰ দৰেই চীন দেশতো মাঞ্চুৰাজৰ কৱলৰপৰা স্বদেশবাসীক মুক্ত কৰিবলৈ এগৰাকী বিপ্লৱী পুৰুষে জন্ম লাভ কৰিলে। তেৱেঁই হল ডাক্তৰ ছান্ ইয়াৎছেন।

চীন দেশৰ কোৱাংটং প্ৰদেশৰ চয়হাং নামৰ গাওঁ এখনিত ১৮৬৬ খ্ৰীষ্টাব্দৰ নৱেম্বৰ মাহৰ দুই তাৰিখে ছান্ ইয়াৎছেনে জন্ম গ্ৰহণ কৰে। বিখ্যাত কেণ্টন বন্দৰৰপৰা প্ৰায় দুকুৰি মাইল

আঁতৰত এই গাঁওখনি অৱস্থিত। এওঁৰ পিতৃয়ে চাউলৰ বেপাৰ কৰিছিল। এওঁলোকৰ ঘৰ-দুৱাৰবোৰ আছিল তেনেই সাধাৰণ ধৰণৰ। এওঁলোককে ধৰি চয়হাং গাঁৱৰ গোটেইখিনি মানুহে চীনৰ বিখ্যাত ধৰ্ম্মগুৰু কনফিউচিয়াচৰ ধৰ্ম্ম পালন কৰিছিল।

ছানে পোনতে গাঁৱৰে বিদ্যালয়ত পঢ়িছিল। সেই সময়ত তেওঁৰ ককায়েক আহমিয়ে প্ৰশান্ত মহাসাগৰত থকা হাৱাই দ্বীপৰ ৰাজধানী হনলুলুত বেপাৰ-বণিজ্য কৰিছিলগৈ। এবেলি ককায়েক ঘৰলৈ ঘূৰি আহোঁতে ছানে তেওঁৰ মুখত আমেৰিকাৰ কথাবোৰ মৌ-পিয়াদি শুনিছিল। আমেৰিকাৰ কথাবোৰে তেওঁৰ মন চঞ্চল কৰি তুলিলে। বাপেক-মাকৰ কথা নুশুনি চৈধ্য বছৰ বয়সত তেওঁ ককায়েকৰ লগতে হনলুলুলৈ যাত্ৰা কৰিলে। ককায়েকে ছানক হনলুলুৰ খ্ৰীষ্টিয়ান মিশ্যনেৰী-সকলৰ বিদ্যালয় এখনত নাম লগাই দিলে। ছবছৰৰ মূৰত সেই বিদ্যালয়ৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজত নাম লগাবলৈ তেওঁ সক্ষম হ'ল। পিচে ইতিমধ্যে তেওঁৰ মন খ্ৰীষ্টিয়ান ধৰ্ম্মৰ ফালে ঢাল খোৱা যেন দেখি ককায়েকে বিতুষ্ট হৈ তেওঁক ঘৰৰপৰা উলিয়াই দিলে। হংকঙলৈ অহা নাৱৰ ভাৰাখিনি কোনোমতে গোটাই মেলি ছানে ১৮৮৫ খৃষ্টাব্দত পুনৰ চীনৰ মাটিত ভৰি দিলেহি।

ছাত্ৰ অৱস্থাৰেপৰা ছানৰ অন্তৰত তুঁহজুই একুৰা উমি উমি জ্বলি আছিল মাঞ্চু ৰজাৰ বিৰুদ্ধে। এই বিষয়ে তেওঁ বন্ধু-বান্ধৱসকলৰ লগত আলোচনাও কৰিছিল। হনলুলুত থকা ডোখৰত তেওঁ বৰ বঢ়িয়াকৈ বুজিছিল যে দেশবাসীক মাঞ্চুৰজাৰ শাসনৰপৰা মুক্ত কৰিবলৈ হলে তেওঁলোকক পোনতে কৌটি-কলীয়া কুসংস্কাৰবোৰৰপৰা উদ্ধাৰ কৰিব লাগিব। যীশুখৃষ্টৰ প্ৰেমৰ বাণীৰে উদ্ভাসিত হোৱা ছানে মূৰ্ত্তি-পূজা প্ৰথাটোকো কুসংস্কাৰ বুলি ভাবি এদিনাখন তেওঁলোকৰ গাঁৱৰ পূজ্য দেৱতাৰ মূৰ্ত্তিটো ভাঙি পেলালে। বাইজে খঙতে টিঙিবিতুলা যেন হৈ তেওঁক গাঁৱৰপৰা উলিয়াই দিলে। সেই সময়ত তেওঁ কুৰি বছৰীয়া ডেকা। তেওঁ ইংৰাজ উপনিবেশ হংকঙলৈ গৈ তাৰ কুইন্স কলেজত নাম লগালে। এই হংকং আগতে মাঞ্চু

ৰজাৰ তলতীয়া আছিল। চীনৰ বণিকসকলে বিদেশীৰ লগত কানিৰ বেপাৰ চলাই চীনৰ মানুহবিলাকক কানীয়া সোৰোপা কৰি তুলিছিল। মাঞ্চুৰজাই এই সম্পৰ্কে বিদেশী জাহাজ কিছুমান ধৰাত বিদেশীৰ লগত তেওঁৰ বাৰুকৈয়ে খকা-খুন্দা লাগিল। বিদেশীৰ হাতত তেওঁ পৰাজয় বৰণ কৰিবলগীয়াত পৰিল। তাৰ ফলস্বৰূপে হংকঙত ইংৰাজৰ উপনিবেশ গঢ়ি উঠিল।

কুইন্স কলেজৰপৰাই ডাক্তৰী পৰীক্ষাত উত্তীৰ্ণ হৈ ছানে মাকাও আৰু কোৱাংচৌত ডাক্তৰী ব্যৱসায়ত লাগিল। ইফালে তেওঁ খৃষ্ট ধৰ্ম্মও গ্ৰহণ কৰিলে। কুইন্স কলেজত পঢ়াৰ কাল ছোৱাতে তেওঁ এটা সংঘ পাতিছিল। আনক দেখুৱাই ডাক্তৰী ব্যৱসায় কৰিলেও তেওঁ সেই সংঘৰ কামতেই মনপুতি লাগি আছিল। এই সংঘৰ জৰীয়তেই গোপনভাৱে চীনৰ ৰাজতন্ত্ৰৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য্য চলাই তেওঁ চীনৰ মাটিত নতুন প্ৰভাত নমোৱাৰ সপোন দেখিছিল।

উন্নত ধৰণৰ কৃষি-প্ৰণালী বাইজক শিকাই দেশবাসীৰ খেতি-পথাৰৰ সমৃদ্ধি সাধিবলৈ হলে চীন দেশত কিছুমান কৃষি-বিদ্যালয়ৰ আৱশ্যক বুলি পশ্চিমীয়া সভ্যতাৰ পোহৰ পোৱা ডেকা এচামে এই সম্পৰ্কে চৰকাৰলৈ আবেদন-পত্ৰ দিলে। সেই সময়ত ৰজা নামতহে আছিল। ৰাজমাৰেই আছিল সৰ্ব্বেসৰ্ব্বা। চীনৰ ৰাজধানী পিকিং নগৰৰ চাৰিবেৰৰ বাহিৰত কি হৈছে নহৈছে ৰাজমাৰে সেইবোৰৰ তিলমানো ভু পোৱা নাছিল। "পুৰণিকলীয়া শিক্ষা-দীক্ষাই চীন দেশক ডাঙৰ কৰি তুলিছে। অসভ্য বৰ্ব্বৰবিলাকক অনুকৰণ কৰাৰ কোনো আৱশ্যকতা নাই।" এইষাৰ কথাৰে ৰাজমাৰে তেওঁলোকৰ আৱেদন-পত্ৰ অগ্ৰাহ্য কৰিলে। ৰাজমাওৰ এই আচৰণত ছাত্ৰৰ বিদ্ৰোহী মন আৰু বিদ্ৰোহী হৈ উঠিল। চীনৰ ৰাজতন্ত্ৰ ওফৰাবলৈ তেওঁ গোপন ষড়যন্ত্ৰত লাগি গ'ল। পিচে চৰকাৰে ষড়যন্ত্ৰকাৰীবিলাকক ধৰা পেলালে। তেওঁলোকৰ মূৰ কটা গ'ল। ছানে হংকঙলৈ পলাই গৈ তাৰপৰা হাৱাইদ্বীপ আৰু আমেৰিকাৰ যুক্তৰাজ্য ঘূৰি লণ্ডন ওলালগৈ। এইবোৰ দেশত